অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০০৯/০৫/২০২৫-২৬
Ref :

তাৰিখ ঃ ০৬-০১-২০২৬
Date :

# অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা প্ৰথম স্থানত অসম জাতীয় বিদ্যালয়ৰ গুঞ্জন গীত পৰাশৰ

**নুনমাটি, গুৱাহাটী, ৬ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি বিদ্যালয় চৌহদত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদনৰ মতে, “কৃত্ৰিম বুদ্ধিমত্তা মানৱ জাতিৰ বাবে এক অভিশাপ” (Artificial Intelligence is a curse to the human race) বিষয়ত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ গুঞ্জন গীত পৰাশৰে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে আদৰ্শ জাতীয় বিদ্যালয়, খনামুখ, শিৱসাগৰৰ নিহাৰীকা বৰুৱাই। আনহাতে তৰ্ক প্ৰতিযোগিতাখনত তৃতীয় পুৰস্কাৰ লাভ কৰে পশ্চিম ধেমাজি জাতীয় বিদ্যালয়, ধেমাজিৰ বৃষ্টিবন্যা বৰুৱাই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নিষ্ঠা বৰগোহাঁই, সাহিত্যৰথী জাতীয় বিদ্যালয়, ডিব্ৰুগড়ৰ জলনিধিজা বৰঠাকুৰ আৰু ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠ, বিশ্বনাথৰ কৃষ্ণালী বৰুৱাই। প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীগৰাকীলৈ ট্ৰফী, মান-পত্ৰ আৰু নগদ ১০,০০০.০০টকা আগবঢ়োৱা হয়। আনহাতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰ আৰু ক্ৰমে নগদ ৭,০০০.০০ আৰু ৫,০০০.০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ নগদ ৩,০০০ টকা আৰু মান-পত্ৰ আগবঢ়োৱা হয়। সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ অনুব্ৰতা হাজৰিকা আৰু বোকাখাত জাতীয় বিদ্যালয়, গোলাঘাটৰ নিৰিবিলি ভৰালীয়ে। দ্বিতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে নীলাচল জাতীয় বিদ্যালয়, কামৰূপ (ম)ৰ দৰ্শিতা বণিক্য আৰু বৰ্ফানী ডেকাই। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ২২ খন জিলাৰ মুঠ ৪৩ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত অধ্যক্ষ হিচাপে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক, বৰ্তমান ৰয়েল গ্ল’বেল বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগৰ অধ্যাপক শ্ৰীযুত দিলীপ চন্দন। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল ‘আমাৰ অসম’ কাকতৰ কাৰ্য্যবাহী সম্পাদক, সুদক্ষ তাৰ্কিক শ্ৰীযুত গৌতম শৰ্মা, গুৱাহাটীৰ এক্সেল কেয়াৰ হস্পিতালৰ হৃদৰোগ বিশেষজ্ঞ, সুদক্ষ তাৰ্কিক ডাঃ দিগন্ত বুঢ়াগোহাঞি আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ লিমিটেডৰ কৰ্প’ৰেট কমিউনিকেচন বিভাগৰ প্ৰধান বিষয়া, সুদক্ষ তাৰ্কিক ড° জ্যোতিষা শইকীয়া। অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে উদ্দেশ্যি আদৰণী ভাষণ প্ৰদান কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত পুথিগত বিদ্যাৰ লগতে তৰ্ক, বাগ্মীতা আদি অন্যান্য বিষয়সমূহৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি এনেধৰণৰ প্ৰতিযোগিতাসমূহত শিক্ষাৰ্থীসকলক সক্ৰিয় অংশগ্ৰহণৰ বাবে আহ্বান জনায়। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই ভাষণ প্ৰসংগত অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলে যাতে সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰি সমাজখনক উচিত দিশত আগুৱাই লৈ যাব পাৰে তাৰ বাবেই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে এনেধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে বুলি উল্লেখ কৰে আৰু তাৰ্কিক প্ৰতিযোগীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁলোকক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। আজিৰ এই অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে। সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী চন্দনা মেধি চৌধুৰী।

| | | | |
|---|---|---|---|
| (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডা° নাৰায়ণ শৰ্মা) | (ঘনশ্যাম মেধি) | (অসীম কৃষ্ণ বৰুৱা) |
| সভাপতি | সচিব | অধ্যক্ষ | সমন্বয়ক |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় | অজাবি শিক্ষা সংসদ |